# দ্য গ্ৰেট মংলু

## জুবিন গাৰ্গ

পুহমহীয়া ঠাণ্ডা। জানুৱাৰী মাহ। মই গৈ আছিলোঁ গুৱাহাটীৰ পৰা — এখন বাগানলৈ। সেই বাগানখনতেই আমাৰ শ্যুটিং হোৱাৰ কথা। এখন চিনেমা। নাম — সাত নম্বৰৰ সন্ধানত। চিনেমাখনৰ কাৰণে মোৰ সময় উলিয়াবলৈ বৰ দিগদাৰ হৈছিল। কাৰণ তেতিয়া মোৰ নিজৰ চিনেমাখন আৰম্ভ হৈছিল, কাম চলি আছিল। কিন্তু এই চিনেমাখনৰ পৰিচালকজনে মোক ক'লে — তুমি যদি নকৰা তেনেহ'লে মই চিনেমাখন নকৰোঁ। মোৰ না কৰিবলৈ বেয়া লাগিল। কাৰণ তেওঁ অসমীয়া চিনেমাজগতৰ এজন অন্যতম ডাঙৰ মানুহ।

মই গ'লোঁ। মই যিদিনা গৈ পাইছোঁ সেইদিনা মাঘৰ বিহু। ঢেৰ মাছ আনিছে। গোটেই ৰাতি মাছ খালো। উৎপাত কৰিলো। হুলস্থুল। পিছদিনাখনৰ পৰা মোৰ শ্যুটিং। ৰাতিপুৱাই এটা মাত শুনো — " বাবা, মাফলাৰ এখন মাৰি লোৱা। ঠাণ্ডা লাগি যাব।" মই জীৱনত কেতিয়াও মাফলাৰ মাৰা নাই। এদিন গৰিমাই ক'লে যে তুমি মাফলাৰখন এবাৰ মাৰি দিয়াচোন, ছাৰে ভাল পাব। মই মাৰি ল'লোঁ। তেওঁ দেখি বৰ ভাল পালে যে মাফলাৰখন মাৰিছোঁ মই। সেই মৰম আৰু সেই মৰমেৰে মাফলাৰখন মাৰি ল'বলৈ কোৱা কথাটো মোৰ আজিও মনত পৰে। যেনেদৰে মা বা দেউতাই কৈছিলে মোক — সৰুতে।

সেই চিনেমাখনত মই এজন বাগানীয়া ল'ৰাৰ চৰিত্ৰত অভিনয় কৰিছিলোঁ। হয়তো ছাৰৰ বাগানৰ প্ৰতি এক দুৰ্বলতা আছিলে। কি কাৰণে মোক বাচি ল'লে মই নেজানোঁ। কিন্তু তেওঁ কৈছিলে যে জুবিনে যদি চিনেমাখন নকৰে, তেনেহ'লে মই নকৰোঁ। মই বোলো তেনেহ'লে মই কৰিবই লাগিব। আৰু ইমান এটা গভীৰ, ছিৰিয়াছ কাহিনী — নকৰাৰ কথাই নাহে।

এদিন বাগানৰ মাজত শ্যুটিং চলি আছে। তাৰ মাজত এটা ডাঙৰ খাল আছিল। খালটো পাৰ হ'ব লাগে শ্যুটিঙৰ কাৰণে। তেখেতৰ তেতিয়া প্ৰায় ৮৫ বছৰ বয়স। গোটেই খালটো তেওঁ জাঁপ মাৰি পাৰ হ'বলৈ গৈছে। এজন ল'ৰাই আহি ক'লে যে ছাৰ মই অলপ হেল্প কৰি দিওঁ। হাতত ধৰিলে। তেতিয়া তেওঁ কৈছে — " বুদ্ধা হোগা তেৰা বাপ।" সেই কথাষাৰ মই কেতিয়াও নেপাহৰোঁ। মই অলপ দূৰত ৰৈ চাই আছোঁ। এই বয়সত এই উদ্যম, এই স্পিৰিট সকলোৰে নেথাকে। এইজনেই 'চামেলি মেমচাব'ৰ দ্য গ্ৰেট মংলু — আব্দুল মজিদ।

এদিন ৰাতিৰ শ্যুটিং। লাইট চলি আছে। তেখেতে লাইট চাই আছে। মই মনে মনে এখন ফ'ট' তুলিলোঁ তেখেতৰ। মই মাজে মাজে ষ্টিল ফ'ট'গ্ৰাফী কৰোঁ। বহুত মানুহে নেজানে। তেওঁক যেতিয়া ফ'ট'খন দেখুৱালোঁ তেওঁ বৰ ভাল পালে। তেওঁ মানে হাৰাশাস্তি কৰি দিছে যে ফ'ট'খন তেওঁক লাগে। লাগিবই। পাছত এদিন মই মোৰ বন্ধু এজনৰ হতুৱাই ফ'ট'খন তেওঁৰ ঘৰত দিয়াই থৈ আহিলোঁ। মই নিজে ভাৱো যে সেইখন মই তোলা ফ'ট'বোৰৰ মাজত শ্ৰেষ্ঠ। এজন লিজেণ্ডৰ, এজন মহান মানুহৰ ফ'ট' যেতিয়া তোলা যায়, তেতিয়া স্ফূৰ্টিটো বেছি হয়।

তাৰপাছত মিছন চাইনা আহিল। তেখেতৰ গা বেয়া হৈ থাকে। তেওঁক মাজতে মই এদিন লগ পালো আমাক বিষ্ণু ৰাভা দিৱসত। আমি বহুত দেৰি কথা পাতিলোঁ। বিষ্ণু ৰাভাৰ বিষয়ে তেওঁ বহুত কথাই ক'লে। একেলগে ভাতো খাইছিলো দুপৰীয়া। তাৰপাছত আকৌ তেওঁৰ গা বৰ বেয়া হ'ল। মাজে মাজে বোলে কৈ থাকে — " ইন'ভাখন মাত, জুবিনৰ চিনেমাখন চাই আহো।" এদিন মই পাছত কাজুদাক (মজিদকাৰ পুত্ৰ) লগ পাওঁতে ক'লো যে মই তেওঁক ঘৰত দেখুৱাই থৈ আহিম। তেওঁ আহিব নেলাগে। তেওঁৰ চাবলৈ বৰ মন আছিলে। আৰু এটা ডাঙৰ কথা মোৰ কাৰণে যে তেওঁ বহুবাৰ মোক কৈছিলে যে 'তোমাৰ লগত মোৰ এবাৰ অভিনয় কৰিবলৈ মন আছে'। মোৰ পৰৱৰ্তী যিখন চিনেমা, কাঞ্চনজংঘা, মই ভাবি থৈছিলো যে মজিদকাই যদি পাৰে, শৰীৰে যদি দিয়ে তেনেহ'লে মোৰ দেউতাৰ চৰিত্ৰটো তেওঁকেই কৰিবলৈ দিম। সেই হেঁপাহটো মোৰ অপূৰ্ণ হৈ ৰ'ল। তেখেতৰো মিছন চাইনা চোৱাৰ আশাটো পূৰ্ণ নহ'ল। ভবা কথা নহয় সিদ্ধি! তেওঁৰ শেষ ছবিখনত মই অভিনয় কৰিছোঁ — সেইটো মোৰ জীৱনৰ এটা ডাঙৰ উপলব্ধি আৰু শিক্ষা।

মই মাজে মাজে বেলেগধৰণৰ এটা পেন্ট পিন্ধোঁ। হেৰেম পেন্ট বুলি কয়। তেখেতে দেখি বৰ ভাল পালে। তেখেত বৰ চৌখিন মানুহ! হেৰেম পেন্টটো তেওঁক লগা হ'ল। একেবাৰে ফ'ন কৰি কৰি হায়ৰাণ কৰি দিছে। গৰিমাক, মোৰ ভাইটি মন, মোকো ফ'ন কৰে। জুবিনে পিন্ধা পেন্টটো তেওঁক লাগে। আদেশ মানিবই লাগিব। বনাই দিয়া হ'ল। তেওঁ বৰ সুখী হৈছিল। হি ৱজ হেপ্যী!

এইজনেই আছিল মোৰ আব্দুল মজিদকা। মই ছাৰ বুলি মাতিছিলোঁ। এজন মহীৰুহ আমি হেৰুৱালোঁ। ছবিজগতৰ, সাংস্কৃতিক জগতৰ, অসমৰ। এটা কথাই ক'ম — তেখেতৰ কৰ্ম আমাৰ ধৰ্ম।

লাভ ইউ মজিদকা!